জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪০/২০২০

২০২০ বৰ্ষৰ ড° বাণীকান্ত কাকতি বঁটা প্ৰদান অনুষ্ঠানত মেধাৱী ছাত্ৰীলৈ দুচকীয়া বাহন (স্কুটী) প্ৰদান কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ‘ইউ কেন ৱিন, ইউ কেন ৱিন, ইউ কেন ৱিন’, ‘তোমালোকে পাৰিবাই’ ঃ মুখ্যমন্ত্ৰী

## নিজৰ ব্যক্তিত্বতো মূল্য সংযোজন ঘটাব পাৰিলেহে আমি সফলতাৰ শিখৰলৈ আগবাঢ়ি যাবলৈ সক্ষম হ’ম ঃ মুখ্যমন্ত্ৰী

## ৰাজ্য চৰকাৰে প্ৰদান কৰা এই ৰঙা ৰঙৰ স্কুটীসমূহে অসমৰ গাঁৱে-ভূঞে ছাত্ৰীসকলৰ সফলতাৰ বতৰা কঢ়িয়াই লৈ যাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ ডিচেম্বৰ ঃ** “একবিংশ শতিকাৰ তীব্ৰ প্ৰতিযোগিতামূলক এই বিশ্বত আজি উপযুক্ত মূল্য সংযোজন নহ’লে কোনো সামগ্ৰীয়ে বজাৰত স্থায়িত্ব লাভ কৰিব নোৱাৰে। সভ্যতা-সংস্কৃতিৰ লগতে মানুহৰ ৰুচিবোধলৈও ব্যাপক পৰিৱৰ্তন নামি অহা এই যুগত উপযুক্ত শিক্ষা আহৰণ আৰু উদ্ভাৱনী শক্তিৰ উৎকৰ্ষ সাধনেৰে নিজৰ ব্যক্তিত্বতো মূল্য সংযোজন ঘটাব পাৰিলেহে আমি সফলতাৰ শিখৰলৈ আগবাঢ়ি যাবলৈ সক্ষম হ’ম।”— অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ উদ্যোগত, ‘প্ৰজ্ঞান ভাৰতী’ আঁচনিৰ অধীনত আজি কামৰূপ জিলাৰ আমিনগাঁৱৰ নুমলী জলাহ পেৰেড গ্ৰাউণ্ডত আয়োজিত ২০২০ বৰ্ষৰ ড° বাণীকান্ত কাকতি বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৫ গৰাকী ছাত্ৰীৰ হাতত দুচকীয়া বাহন (স্কুটী)ৰ প্ৰতীকী ছাবি প্ৰদান কৰি আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

উল্লেখযোগ্য যে আজিৰ অনুষ্ঠানৰ জৰিয়তে ২০২০ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে স্কুটী প্ৰদান কৰাৰ পিছত পৰৱৰ্তী পৰ্যায়ত অহা ২ আৰু ৩ জানুৱাৰীত ৰাজ্যখনৰ অন্যান্য জিলাৰ ছাত্ৰীসকলক এই বঁটা প্ৰদান কৰা হ’ব। এই আঁচনিৰ জৰিয়তে চলিত বৰ্ষত ২২,০৩৪ গৰাকী ছাত্ৰীলৈ পেট্ৰ’লচালিত স্কুটাৰ আৰু ২১১গৰাকী ছাত্ৰীলৈ বিদ্যুৎচালিত স্কুটাৰ প্ৰদান কৰিবলৈ লোৱা হৈছে। ইয়াৰ বাবদ চৰকাৰৰ সৰ্বমুঠ ১৪৪.৩০ কোটি টকা ব্যয় হ’ব।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ড° বাণীকান্ত কাকতি মেধা বঁটাৰ বাবে নিৰ্বাচিত ৰাজ্যখনৰ প্ৰতিগৰাকী মেধাৱী ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকললৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ছাত্ৰীসকলৰ মেধাৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰে প্ৰদান কৰা এই ৰঙা ৰঙৰ স্কুটীসমূহে অসমৰ গাঁৱে-ভূঞে তেওঁলোকৰ সফলতাৰ বতৰা কঢ়িয়াই লৈ যাব। ৰাজ্যৰ বহু ছাত্ৰীৰ জীৱনলৈ এই আঁচনিয়ে পৰিৱৰ্তন আনিব, তেওঁলোকৰ মনত নতুন আত্মবিশ্বাসৰ জন্ম দিব। বৰ্তমান তলৰ শ্ৰেণীত পঢ়ি থকা ছাত্ৰীসকলকো এই আঁচনিয়ে উদ্বুদ্ধ কৰিব আৰু অধ্যয়নত গভীৰভাৱে মনোনিৱেশ কৰাৰ বাবে প্ৰেৰণা যোগাব।

ছাত্ৰীসকলক উদ্দেশ্যি 'ইউ কেন ৱিন, ইউ কেন ৱিন, ইউ কেন ৱিন' — 'তোমালোকে পাৰিবাই' বুলি দৃঢ়তাৰে মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পৃথিৱীত চেষ্টাৰ অসাধ্য একো নাই। প্ৰয়োজন মাথোঁ কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস আৰু মনোবলৰ। একবিংশ শতিকাক মহিলাৰ শতিকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আজি মহিলা সমাজ কোনো দিশতে পিছপৰি থকা নাই। সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকল আজি পুৰুষৰ সমানে সমানে আগবাঢ়িছে। সেনাবাহিনীৰ তিনিওটা শাখাতে মহিলাৰ ব্যাপক যোগদানে এই কথাই স্পষ্ট ৰূপত প্ৰতীয়মান কৰিছে বুলি তেওঁ কয়।

যুগে যুগে নাৰীয়ে সমাজ নিৰ্মাণ প্ৰক্ৰিয়াত অগ্ৰণী ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে নাৰীৰ মৰ্যাদা আৰু স্বাভিমান ৰক্ষাৰ বাবে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰি আহিছে। 'উজ্জ্বলা' আঁচনিৰ জৰিয়তে দেশৰ কোটি কোটি দৰিদ্ৰ মহিলাৰ চকুপানী মচিবলৈ প্ৰয়াস কৰা হৈছে। 'বেটি বচাও, বেটি পঢ়াও', 'জন-ধন যোজনা' আদি আঁচনিয়ে মহিলাৰ আত্মসন্মান বৃদ্ধি কৰিছে। একেদৰে অসম চৰকাৰেও সৌ সিদিনা হাতত লোৱা ৰাজ্যৰ ইতিহাসৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনি 'অৰুণোদয়'-এ লক্ষ লক্ষ মহিলাৰ মুখত হাঁহি বিৰিঙাই তুলিছে। বিভিন্ন কল্যাণকামী আঁচনিৰে ৰাজ্য চৰকাৰে বিগত বছৰকেইটাত ৰাজ্যখনৰ ৭০ লাখ পৰিয়ালৰ জীৱন স্পৰ্শ কৰাৰ লগতে নাৰী সমাজেও উপাৰ্জনৰ ক্ষেত্ৰত বহুখিনি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

নাৰীৰ মান-স্বাভিমান আৰু মৰ্যাদা ৰক্ষাৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে কোনোপধ্যেই আপোচ কৰা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিগত দিনসমূহত নাৰীৰ আত্মসন্মানত হাত দিয়া প্ৰতিগৰাকী দুষ্কৃতিকাৰীকে তৎকালে কৰায়ত্ত কৰি ফাষ্ট ট্ৰেক বিচাৰ প্ৰক্ৰিয়াৰে আদালতত দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি বিহা হৈছে। মহিলা আৰু শিশুৰ সুৰক্ষাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু ইয়াৰ সুফলস্বৰূপেই আজি ৰাজ্যৰ নাৰী সমাজেও নিৰ্ভয়ে নিজৰ কৰ্মক্ষেত্ৰত আত্মবিশ্বাসেৰে নামি পৰিবলৈ সক্ষম হৈছে।

আজিৰ অনুষ্ঠানত দুচকীয়া বাহন লাভ কৰা ছাত্ৰীসকলক এই বাহনসমূহ লৈ ৰাজপথলৈ ওলাই অহাৰ আগতে বাহনসমূহ চলোৱাৰ ক্ষেত্ৰত দক্ষতা আহৰণ কৰি ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। জিলা পৰিবহন বিষয়াৰ কাৰ্যালয়ত আৱেদন কৰি চালকৰ অনুজ্ঞাপত্ৰ সংগ্ৰহ কৰি লোৱাৰ লগতে হেলমেট পৰিধান কৰাকে ধৰি যান-বাহন আইন কঠোৰভাৱে মানি চলিবলৈ ছাত্ৰীসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এগৰাকী দায়িত্বশীল নাগৰিক হিচাপে নিজৰ লগতে পথচাৰীৰ সুৰক্ষাৰ বাবে এই কেইটা দিশত তেওঁলোক

সতৰ্ক হ'বই লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষা, বিত্ত, স্বাস্থ্য, লোকনিৰ্মাণ আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোক গৌৰৱ, আনন্দ আৰু প্ৰাপ্তিৰ দিন হিচাপে অভিহিত কৰে। ছাত্ৰীৰ পৰা আই-মাতৃলৈকে অসমৰ নাৰী শক্তিক মৰ্যাদাসহকাৰে আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে বিগত দিনসমূহত হাতত লোৱা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আজি অসম ৰাজ্যখন সৰ্বদিশতে আগুৱাই গৈছে। আমাৰ আকাশ চুবৰ মন আছে আৰু এদিন আমি আকাশ চুমেই বুলি তেওঁ দৃঢ়তাৰে কয়। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ ১০০০ গৰাকী ছাত্ৰীক স্কুটী প্ৰদানেৰে ২০১৭-১৮ বৰ্ষত আনুষ্ঠানিকভাৱে ড° বাণীকান্ত কাকতি বঁটা প্ৰদানৰ শুভাৰম্ভ কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে বিভিন্ন কাৰণত ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষৰ ছাত্ৰীসকলে এই বঁটা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত এই দুই বৰ্ষৰ শীৰ্ষ ৫ হাজাৰ আৰু ১০ হাজাৰ গৰাকী ছাত্ৰীকো চৰকাৰে স্কুটী প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ ঘোষণা কৰে। চলিত বৰ্ষত ২২ হাজাৰৰো অধিক ছাত্ৰীলৈ এই বঁটা প্ৰদানকে ধৰি এই চাৰিটা বৰ্ষত ৰাজ্য চৰকাৰে প্ৰায় ৪০ হাজাৰ গৰাকী ছাত্ৰীলৈ স্কুটী প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ সদৰি কৰে।

অনুষ্ঠানত ৰাজ্য চৰকাৰৰ আইন, গুৱাহাটী উন্নয়ন আদি বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভৱেশ কলিতাইও ভাষণ প্ৰদান কৰি ড° বাণীকান্ত কাকতি বঁটাৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এই বঁটা প্ৰাপ্তিয়ে তেওঁলোকক ভৱিষ্যৎ শিক্ষা জীৱনত দোপতদোপে আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰে।

অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, বিধায়কসকল ক্ৰমে অতুল বৰা, প্ৰণৱ কলিতা, সুমন হৰিপ্ৰিয়া আৰু ৰেকিবুদ্দিন আহমেদ, শিক্ষা বিভাগৰ আয়ুক্ত-সচিব প্ৰীতম শইকীয়া, উচ্চ শিক্ষা বিভাগৰ সঞ্চালক গীতিমণি ফুকন, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক, হিৰো ম'ট' কৰ্প'ৰ নেশ্বনেল ছেলছ্ হেড আশুতোষ বাৰ্মাকে ধৰি শিক্ষা বিভাগ আৰু প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল, কামৰূপ আৰু কামৰূপ (মহানগৰ) জিলাৰ বঁটা প্ৰাপক ছাত্ৰীসকল আৰু তেওঁলোকৰ অভিভাৱকসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২০/১২/২০২০**